# MAYANG ANCHALIK COLLEGE

20

## HOME ASSIGMENT

## DEPARTMENT OF POLITICAL

PAPER CODE -PSC HC - 3016

SEMESTER : 3RD SEMESTER

SUBMITTED TO

DR. GUNESWAR DEKA

ASSTT. PROFESSOR

DEPARTMENT OF POLITICAL

SUBMITTED BY

NAME : ASMINA BEGUM

CLASS : 3RD SEMESTER

EXAM ROLL NO-UA-201-340-0014

CLASS ROLL NO:-(14)

HOD/Asstt. Professor
Deptt. of Political Science
Mayang Anchalik College
Date.................. ...

# HOME ASSIGNMENT

## ON

## POLITICAL SCIENCE (HC)

### TOPIC

1.। তুলনামূলক চৰকাৰ বুলিলে কি বুজা ? ইয়াৰ পৰিসৰৰ বিষয়ে লিখা । (বৈশিষ্ট্য)

২.। পুঁজিবাদ কাক বোলে ? পুজিবাদৰ বৈশিষ্ট্যসমূহ লিখা ।

Ans to the Q. NO: 1. তুলনামূলক ৰাজনীতিৰ অধ্যয়ন বৰ্তমানে ৰাজনীতি বিজ্ঞানৰ অধ্যয়নৰ গুৰুত্বপূৰ্ণ ক্ষেত্ৰ। ৰাজনৈতিক চিন্তা-চৰ্চাত তুলনামূলক চৰকাৰৰ আৰু ৰাজনীতিৰ ধাৰণা যথেষ্ট পুৰণি যদিও দ্বিতীয় মহাযুদ্ধৰ পিছৰে পৰাই বিভিন্ন ৰাজনৈতিক ব্যৱস্থাৰ অধ্যয়নৰ হিচাপে প্ৰাসংগিকতা আৰু গুৰুত্ব বৃদ্ধি পাইছে। এনেবোৰ কাৰণে তুলনামূলক চৰকাৰৰ অধ্যয়নৰ বাটকটীয়া বুলিব পাৰি।

যিসকল ৰাজনীতি বিজ্ঞানীয়ে ৰাজনৈতিক পদ্ধতিৰ বিশ্লেষণাত্মক আৰু বিজ্ঞানসন্মত অধ্যয়নৰ ওপৰত গুৰুত্ব দিছিল তেওঁলোকৰ ভিতৰত ডেভিড ইষ্টন (David Easton), গেব্ৰিয়েল আলমণ্ড (Gabriel Almond), জেমছ কলমেন (James Coleman), জি. বি. পাৱেল (G. B. Powell), হেৰল্ড লাছওৱেল (Harold Lasswell), ৰবাৰ্ট ডাল (Robert Dahl), ডেভিড আপ্টাৰ (David Apter), লুচিয়ান পাই (Lucian Pye) আদিৰ নাম বিশেষভাৱে উল্লেখযোগ্য।

বৈশিষ্ট্য :– তুলনামূলক চৰকাৰ আৰু ৰাজনীতি অধ্যয়নৰ বিষয়ৰ তলত দিয়া বৈশিষ্ট্যসমূহ দেখা যায় –

১। সমাজ বিজ্ঞানৰ অভিজ্ঞতা আৰু কলা-কৌশল প্ৰয়োগ কৰাৰ উপৰিও, প্ৰাকৃতিক বিজ্ঞানৰ নিচিনা পৰ্য্যবেক্ষণ আৰু পৰীক্ষামূলক পদ্ধতি প্ৰয়োগ কৰি তুলনামূলক ৰাজনীতিক বিজ্ঞানৰ পৰ্য্যায়লৈ উন্নীত কৰিবলৈ চেষ্টা কৰা হয়।

২। তুলনামূলক অধ্যয়নৰ বিষয়টোক গতানুগতিকভাৱে চৰকাৰৰ বিভিন্ন অংগৰ গঠন আৰু কাৰ্য্যাৱলীৰ মাজতে সীমাবদ্ধ কৰি নাৰাখি ৰাজনৈতিক ব্যৱস্থা, ৰাজনৈতিক আচাৰ ব্যৱহাৰ, ৰাজনৈতিক দল, বিভিন্ন গোষ্ঠী আদিকো অধ্যয়নৰ বিষয় হিচাপে অন্তৰ্ভুক্ত কৰা হৈছে।

৩। বৰ্তমান সময়ত তুলনামূলক চৰকাৰ আৰু ৰাজনীতিৰ অধ্যয়ন আমেৰিকা আৰু পশ্চিম ইউৰোপৰ কেইখনমান গণতান্ত্ৰিক দেশৰ ৰাজনৈতিক পদ্ধতিতে সীমাবদ্ধ হৈ থকা নাই। এচিয়া, আফ্ৰিকা আৰু দক্ষিণ আমেৰিকাৰ উন্নয়নশীল দেশসমূহকো অধ্যয়নৰ বিষয় হিচাপে অন্তৰ্ভুক্ত কৰা হৈছে।

৪। ৰাজনৈতিক সমস্যা আৰু ঘটনাৱলী সম্পৰ্কে বিভিন্ন তথ্য-পাতি সংগ্ৰহ কৰি তেনে তথ্য আৰু পৰিসংখ্যাৰ পৰ্য্যালোচনা আৰু বিজ্ঞানসন্মত পৰীক্ষা আৰু গৱেষণাৰ জৰিয়তে নতুন নতুন তত্ত্বৰ সৃষ্টি কৰাৰ ওপৰত গুৰুত্ব দিয়া হৈছে।

৫। তুলনামূলক চৰকাৰ আৰু ৰাজনীতিৰ প্ৰৱক্তাসকলে ৰাজনীতি বিজ্ঞানক এটা সুকীয়া বিষয় হিচাপে অধ্যয়ন কৰাতকৈ সমাজ বিজ্ঞানৰ বিভিন্ন শাখাৰ লগত জড়িত কৰি অধ্যয়ন কৰাৰ ওপৰত গুৰুত্ব দিয়ে। মেকেঞ্জিৰ মতে ৰাজনীতি বিজ্ঞান আৰু সমাজ বিজ্ঞানৰ মাজত স্পষ্ট সীমাৰেখা টানি দিয়া উচিত নহয়। ডেভিদ ইষ্টনৰ মতে আচৰণবাদী তত্ত্বৰ প্ৰসাৰ আৰু সবিবৰণ বা

সাৰ্বজনীন তত্ত্ব গঢ়ি তোলাৰ প্ৰয়াসে ৰাজনীতি বিজ্ঞান আৰু সমাজ বিজ্ঞানৰ সীমাৰেখা ভাঙি দি পাৰস্পৰিক সহযোগিতাৰ নতুন সম্ভাৱনাৰ সৃষ্টি কৰিছে। তুলনামূলক ৰাজনীতিৰ পৃষ্ঠপোষকসকলে সমাজ বিজ্ঞান, মনোবিজ্ঞান, অৰ্থবিজ্ঞান, নৃতত্ত্ববিজ্ঞান আৰু জীৱবিজ্ঞান আদি বিষয়ৰ পৰা লাভ কৰা অভিজ্ঞতাৰ ভিত্তিত তুলনামূলক চৰকাৰ আৰু ৰাজনীতি অধ্যয়নৰ ওপৰত গুৰুত্ব দিছে।

৬। তুলনামূলক চৰকাৰ আৰু ৰাজনীতিৰ অধ্যয়নৰ বিষয়ত নতুন নতুন বিষয় অন্তৰ্ভুক্ত কৰা হৈছে। ৰাজনৈতিক বিকাশ, ৰাজনৈতিক সংস্কৃতি, ৰাজনৈতিক আধুনিকীকৰণ, ৰাজনৈতিক সামাজিকৰণ, ৰাজনৈতিক ঘটনাৰ ওপৰত সমাজবিদ্যা আৰু মনোবিজ্ঞানৰ বিশ্লেষণ পদ্ধতি আৰোপ কৰা হৈছে।

৭। তুলনামূলক ৰাজনীতিৰ প্ৰৱক্তাসকলে ৰাজনৈতিক আলোচনাৰ পৰা মূল্যবোধৰ ধাৰণাক বাদ দিয়া নীতিৰ প্ৰতি সমৰ্থন জনায়।

এইদৰে তুলনামূলক চৰকাৰ ৰাজনীতিৰ প্ৰৱক্তাসকলে সামাজিক আৰু ৰাজনৈতিক সমস্যাৰ উপযুক্ত অভিজ্ঞতা তত্ত্ব আনো বিজ্ঞানৰ তথ্য অবলম্বন কৰিব বিচাৰে।

Ans to the Q.NO: 2. পুঁজিবাদ (Capitalism) শব্দটো লেটিন ভাষাৰ 'কেপিটেলিচ' (Capitalis) শব্দৰ পৰা আহিছে। কেপিটেলিচ (Capitalis) শব্দৰ অৰ্থ হৈছে পোহনীয়া গৰু-মহৰ মূৰ (head of cattle)। পুঁজিবাদ শব্দটো পোন প্ৰথমে ব্যৱহাৰ কৰিছিল 1850 চনত ফ্ৰান্সৰ সমাজবাদী চিন্তাবিদ লুইচ ব্লেংক (Louis Blane) তেওঁ পুঁজিবাদ শব্দটো সামূহিক মালিকীস্বত্বৰ পৰিৱৰ্তে উদ্যোগিক উৎপাদনৰ আহিলাৰ ব্যক্তিগত মালিকীস্বত্বৰ ব্যৱস্থাক বুজাবলৈ ব্যৱহাৰ কৰিছিল। পুঁজিবাদ এক অৰ্থনৈতিক অৱস্থা, যি ১৮ শ শতিকাৰ দ্বিতীয় ভাগত পশ্চিম ইউৰোপ আৰু আমেৰিকাত আৱিৰ্ভাৱ হৈছিল।

পুঁজিবাদ এক অৰ্থনৈতিক আৰু ৰাজনৈতিক ব্যৱস্থা য'ত এখন ৰাষ্ট্ৰৰ বাণিজ্য আৰু উদ্যোগসমূহ লাভৰ বাবে ৰাষ্ট্ৰৰ পৰিৱৰ্তে ব্যক্তিগতে মালিকে নিয়ন্ত্ৰণ কৰে। পুঁজিবাদ বুলিলে এক অৰ্থনৈতিক ব্যৱস্থাক বুজা হয়, য'ত মূলধনৰ ধাৰকী ব্যক্তি বা ব্যৱসায়িক গোষ্ঠী।

পুঁজিবাদৰ সংজ্ঞা :- বিশিষ্ট সমাজবাদী চিন্তাবিদ লেলিনৰ মতে, " ঔপনিৱেশিক শক্তিসমূহে অৰ্থনৈতিক শোষণৰ বাবে পৰস্পৰে পৰস্পৰৰ বিৰুদ্ধে কৰা সংগ্ৰামৰ বাবে পুঁজিবাদী সাম্ৰাজ্যবাদৰ সৃষ্টি হৈছে।"

আডাম স্মিথে পুঁজিবাদক এক " অদৃশ্য হাত ' বুলি অভিহিত কৰিছে, যি সূক্ষ্ম পৰ্যায়ত চাহিদা আৰু যোগান পূৰণ কৰিব আৰু বহুল পৰ্যায়ত বিতৰণ কৰিবলৈ সক্ষম হয়।

পুঁজিবাদৰ বৈশিষ্ট্য :- পুঁজিবাদী ব্যৱস্থাৰ কিছুমান বৈশিষ্ট্য পৰিলক্ষিত হয়। তাক তলত উল্লেখ কৰা হ'ল :-

১। পুঁজিবাদ এক অৰ্থনৈতিক ব্যৱস্থা, যত উদ্যোগিক ক্ষেত্ৰত উৎপাদনৰ আহিলাৰ মালিকীস্বত্ব ব্যক্তিৰ হাতত থাকে।

২। পুঁজিবাদী ব্যৱস্থাত ব্যক্তিগত সম্পত্তিৰ অধিকাৰ ব্যক্তিৰ হাতত থাকে। যাৰ বাবে ব্যক্তিয়ে বিনিয়োগ আৰু উৎপাদন নিজ স্বাধীনভাৱে কৰাৰ সুবিধা পায়।

৩। পুঁজিবাদৰ বিকাশ ঐতিহাসিকভাৱে ইউৰোপত আগৰ সামন্তবাদী ব্যৱস্থা আৰু বাণিজ্যিক সকলোৰ কাৰ্য - কলাপৰ প্ৰতিক্ৰিয়া স্বৰূপে সৃষ্টি হৈছিল।

পুঁজিবাদৰ ভেটি (Basis of capitalism) পুঁজিবাদৰ ভেটি সমূহ তলত আলোচনা কৰা হ'ল -

১। ব্যক্তিগত সম্পত্তি :- পুঁজিবাদৰ মূল ভেটি হ'ল ব্যক্তিগত সম্পত্তি, যেনে — ভূ- সম্পত্তি, ঘৰ পুঁজি আদি। এই সম্পত্তিসমূহৰ মালিকানা স্বত্বৰ অধিকাৰী ব্যক্তি।

২। ব্যক্তিস্বাৰ্থ :- পুঁজিবাদ ব্যৱস্থাত ব্যক্তি স্বাৰ্থৰ ওপৰত গুৰুত্ব দিয়ে যাতে নিজৰ উন্নতি বা কল্যাণ সাধন হয়। ইয়াত সমাজৰ স্বাৰ্থতকৈ পুঁজিপতিসকলে ব্যক্তি স্বাৰ্থক প্ৰাধান্য দিয়ে।

৩। প্ৰতিযোগিতা :- পুঁজিবাদী ব্যৱস্থাত মালিক পক্ষ বা ধনিক শ্ৰেণীয়ে ব্যক্তিগত লাভালাভৰ বাবে প্ৰতিযোগিতাত লিপ্ত হয়। এই ব্যৱস্থাত মালিক পক্ষই উৎপাদনৰ আহিলা ব্যৱস্থাৰ, নিয়ন্ত্ৰণ, বিনিয়োগ ৰপ্তানি আদি ক্ষেত্ৰত অবাধ স্বাধীনতা লাভ কৰে।

৪। বজাৰ ব্যৱস্থাপনা :- পুঁজিবাদী ব্যৱস্থাত বস্তুৰ মূল্য নিৰ্দ্ধাৰণ, বিতৰণ আদিৰ ক্ষেত্ৰত মালিক পক্ষই বিকেন্দ্ৰীকৰণ পদ্ধতিৰে ক্ৰেতা আৰু বিক্ৰেতাৰ মাজত সমন্বয় স্থাপনৰ ওপৰত অধিক গুৰুত্ব দিয়ে।

৫। পচন্দৰ স্বাধীনতা :- পুঁজিবাদী ব্যৱস্থাত বিনিয়োগকাৰী, উপভোক্তা আৰু উৎপাদনকাৰীয়ে নিজৰ পচন্দ অনুযায়ী কাম কৰাৰ সুযোগ পায়।

৬। চৰকাৰৰ সীমিত ভূমিকা :- পুঁজিবাদী ব্যৱস্থাত চৰকাৰে উপযুক্ত কাৰ্যৰ পৰিৱেশ বাহাল ৰখাৰ বাহিৰে বিনিয়োগকাৰী, উৎপাদনকাৰী, উপভোক্তাৰ কাৰ্যত হস্তক্ষেপ নকৰে।

পুঁজিবাদৰ সমালোচনা:- কাৰ্ল মাৰ্ক্সৰ পুঁজিবাদক বিভিন্ন দিশৰ পৰা সমালোচনা কৰিছে -

১। কাৰ্ল মাৰ্ক্সৰ মতে, পুঁজিবাদ ব্যৱস্থাত দেশৰ সম্পদসমূহ মুষ্টিমেয় কেইজমান ব্যক্তিৰ হাতত থাকে।

২। পুঁজিবাদ ব্যৱস্থাত ধনীসকল অধিক ধনী আৰু দুখীয়াসকল অতি দুখীয়া হোৱা পৰিলক্ষিত হয়।

৩। পুঁজিবাদী ব্যৱস্থা জনসাধাৰণৰ মাজত অসমতা বিৰাজ কৰে।

এইদৰে পুঁজিবাদৰ বিভিন্ন উপাদানৰ আৰু বৈশিষ্ট্যসমূহ প্ৰমাণ কৰে যে পুঁজিবাদী ব্যৱস্থা এনে ধৰণৰ সামাজিক আৰু আৰ্থিক ব্যৱস্থা য'ত পুঁজিবাদীসকলে সম্পত্তি, উৎপাদন আৰু শ্ৰমিক সকলোবোৰ নিয়ন্ত্ৰণ কৰে।